কাণত নাবাজে। মাথোঁ কিছুমান ধ্বনিৰ উচ্চাৰণতহে এই পাৰ্থক্য ধৰা পৰে। ভাষাৰ যিবোৰ ধ্বনিৰ পাৰ্থক্য শ্ৰোতাৰ কাণত নাবাজে, সেইবোৰ হ'ল অবিশিষ্ট ধ্বনি। অবিশিষ্ট ধ্বনিয়ে শব্দ পৃথক কৰিব নোৱাৰে, অৰ্থাৎ শব্দৰ অৰ্থৰ পৰিবৰ্তন কৰিব নোৱাৰে। যিবোৰ ধ্বনিয়ে শব্দৰ অৰ্থ পৃথক কৰিব পাৰে সেইবোৰক বিশিষ্ট ধ্বনি বা বৰ্ণ বোলে। একোটা বিশিষ্ট ধ্বনিক কেন্দ্ৰ কৰি অবিশিষ্ট ধ্বনিবোৰৰ প্ৰয়োগ হয়। অৰ্থাৎ বিশিষ্ট ধ্বনিবোৰ একোটা ধ্বনিগোট। এনে ধ্বনিগোটত এটা বা একাধিক ধ্বনিৰ সমন্বয় ঘটে আৰু অবিশিষ্ট ধ্বনিবোৰ স্বাভাৱিকতে বিশিষ্ট ধ্বনিগোটৰ অন্তৰ্ভুক্ত হৈ পৰে। সেইদৰে বৰ্ণটো যিবোৰ ধ্বনিৰ দ্বাৰা গঠিত হৈছে সেই অবিশিষ্ট ধ্বনিবোৰক বিশিষ্ট ধ্বনিগোট বা বৰ্ণটোৰ উপধ্বনি বোলা হয়। উপধ্বনিবোৰ দৰাচলতে একেটা ধ্বনিৰে অবস্থানভেদে হোৱা সুকীয়া উচ্চাৰণ। বৰ্ণত অন্তৰ্নিহিত হৈ থকা উপধ্বনিবোৰ কিছুমান বিশেষ পৰিৱেশত ব্যৱহাৰ হয় আৰু ইহঁতৰ প্ৰয়োগ অপ্ৰতীপ বা অবিৰোধী। ইহঁতৰ পৰস্পৰৰ মাজত কেতিয়াও বিৰোধ নঘটে, এটা আনটোৰ পৰিপূৰকহে। সাধাৰণতে এইবোৰ অবিশিষ্ট ধ্বনি। উদাহৰণস্বৰূপে, অসমীয়া 'পাপ' শব্দটোৰ উচ্চাৰণ লক্ষ্য কৰিলে দেখা যায়—

প্ৰথম 'প' শব্দৰ আদি আৰু মধ্য অৱস্থানত পোৱা যায়,

দ্বিতীয় 'প' শব্দৰ অন্ত্য অৱস্থানত পোৱা যায়

যিহেতু প্ৰথম 'প' টো শব্দৰ আদি আৰু মধ্যত পোৱা যায় আৰু দ্বিতীয় 'প' টো শব্দৰ অন্তত পোৱা যায় সেইবাবে সিহঁতৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট আৰু পৰস্পৰৰ পৰিপূৰক।


ধ্বনিতত্ত্বত সুৰ, সুৰলহৰ, বলাঘাত বা শ্বাসাঘাত আদিৰ বিষয়েও অধ্যয়ন কৰা হয়। সাংগীতিক লহৰ বা ঘোষত্বৰ উঠা নমাকে সুৰ বোলা হয়। স্বৰতন্ত্ৰীৰ কম্পনৰ তীব্ৰতা অনুসৰি এই সুৰ উচ্চ বা নিম্ন হ'ব পাৰে। সুৰক তিনিটা ভাগত ভাগ কৰা হয়— ১) উদাত্ত (High) ২) অনুদাত্ত (Low) আৰু ৩) স্বৰিত (Mid)। স্বৰতন্ত্ৰীৰ কম্পন ক্ৰমে বাঢ়ি গ'লে সুৰ ওপৰলৈ উঠে তেতিয়া তাক উদাত্ত সুৰ বোলে। স্বৰতন্ত্ৰীৰ কম্পন ক্ৰমান্বয়ে কমি আহিলে অনুদাত্ত হয় আৰু উদাত্ত আৰু অনুদাত্তৰ মাজৰ সুৰ স্বৰিত। এই তিনিটা সুৰৰ পৰাই আকৌ বিভিন্ন সুৰ পাব পাৰি। সমগ্ৰ বাক্যক অৱলম্বন কৰি যি সুৰৰ সৃষ্টি কৰা হয় তাকেই সুৰলহৰ বোলে। অসমীয়া ভাষাত সুৰলহৰৰ সলনি কৰি একোটা বাক্যৰে কেনেদৰে অৰ্থৰ তাৰতম্য ঘটোৱা হয় তাক তলৰ বাক্যটি চালেই বুজিব পাৰিব—

১) তুমি ভাত খোৱা ! —অনুজ্ঞা (তোমাক ভাত খাবলৈ দিয়া হৈছে, খোৱা)

২) তুমি ভাত খোৱা ? — প্ৰশ্নসূচক

৩) তুমি ভাত খোৱা !! —আশ্চাৰ্য্য ভাব প্ৰকাশক। এনেদৰে সুৰলহৰৰ পাৰ্থক্য হেতু একোটা বাক্যৰে তিনিটা অৰ্থ ওলাই পৰিছে।

তেনেদৰে কথা কওঁতে শব্দৰ সকলোবোৰ ধ্বনিতে সমানে জোৰ নপৰে। কিছুমানত জোৰ বেছিকৈ পৰে আৰু কিছুমানত কমকৈ পৰে। ধ্বনিৰ উচ্চাৰণৰ এই আপেক্ষিক জোৰৰ নামেই শ্বাসাঘাত। জোৰ বেছিকৈ প্ৰতিফলিত হ'লে মুখ্য শ্বাসাঘাত আৰু জোৰ কমকৈ প্ৰতিফলিত হ'লে গৌণ শ্বাসাঘাত বোলে। যিটো অক্ষৰত মুখ্য শ্বাসাঘাত পৰে তাক অক্ষৰাধাৰ বোলে। এই অক্ষৰাধাৰৰ আগৰ ব্যঞ্জন ধ্বনিক প্ৰাক্ষৰ আৰু পাছৰ ব্যঞ্জনধ্বনিক অক্ষৰান্ত বোলে। যেনে—




শ্বাসাঘাতৰ প্ৰয়োগৰ দ্বাৰা বাক্যৰ অৰ্থ সলনি কৰিব পাৰি। অসমীয়া ভাষাৰ 'তুমি ইয়াত কি কৰিছা' এই বাক্যটো উদাহৰণ হিচাপে ল'ব পাৰি।

তুমি ইয়াত কি কৰিছা? (তুমি, আনে নহয়)

তুমি ইয়াত কি কৰিছা? (এই ঠাইত আন ঠাইত নহয়)

তুমি ইয়াত কি কৰিছা? (এনে আছা নে কিবা কৰিছা?)

তুমি, ইয়াত, কি — এই শব্দ তিনিটাত শ্বাসাঘাতৰ ভিন্নতাৰ ফলত অৰ্থৰ সলনি হৈছে।

ধ্বনিতত্ত্বত ধ্বনিৰ পৰিবৰ্তনৰ বিষয়েও আলোচনা কৰা হয়। কোনো এটা ভাষাৰ বিভিন্ন সময়ৰ ৰূপৰ তুলনাৰ দ্বাৰা ভাষাটোৰ ধ্বনিতাত্ত্বিক পৰিবৰ্তনৰ বিষয়ে গম পাব পাৰি। ধ্বনিৰ পৰিবৰ্তনৰ ভিতৰত বিশিষ্ট ধ্বনিৰ পৰিবৰ্তনটোৱে ভাষা এটাৰ উল্লেখযোগ্য পৰিবৰ্তন। ধ্বনি পৰিবৰ্তনৰ বিভিন্ন কাৰণ আছে, যেনে— অনুকৰণৰ অপূৰ্ণতাৰ ফলত ধ্বনিৰ পৰিবৰ্তন হয়। ভাষা যিহেতু অনুকৰণৰ দ্বাৰা আয়ত্ত কৰা হয় সেয়ে কেতিয়াবা ভালকৈ অনুকৰণ কৰিব নোৱৰাৰ ফলত এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনিৰ ব্যৱহাৰ হয়। অজ্ঞতাৰ কাৰণেও ধ্বনিৰ পৰিবৰ্তন হয়। এটা শব্দক কেনেকৈ ক'ত উচ্চাৰণ কৰিব লাগে তাক শুদ্ধকৈ নজনাৰ ফলত ধ্বনি পৰিবৰ্তনে দেখা দিয়ে। কথন-ভঙ্গীৰ ক্ষিপ্ৰতা অৰ্থাৎ খৰকৈ কথা কোৱাৰ ফলত ধ্বনিৰ পৰিবৰ্তন হয়। সহজে উচ্চাৰণ কৰাৰ ইচ্ছাৰ ফলতো ধ্বনি পৰিবৰ্তনে দেখা দিয়ে। আন ভাষাৰ প্ৰভাৱৰ ফলত অৰ্থাৎ এটা ভাষা কোৱা লোকৰ আন এটা ভাষা কোৱা মানুহৰ লগত ঘনিষ্ঠ সম্পৰ্ক ঘটিলেও ধ্বনি পৰিবৰ্তনে দেখা দিয়ে। ভাষাৰ লিখিত ৰূপৰ কাৰণেও ধ্বনিৰ পৰিবৰ্তন হয়। মান্য অসমীয়া ক'ম, ক'ব, হ'ব আদি শব্দ মান্যভাষা নোকোৱাসকলে কবি, কব, হব বুলি উচ্চাৰণ কৰিব। শ্বাসাঘাতৰ ফলত মূল শব্দৰ পৰিবৰ্তন ঘটি আন শব্দৰ সৃষ্টি হয়। যেনে— সংস্কৃতৰ পৰা অসমীয়াৰ মান্যভাষা আৰু কামৰূপী উপভাষাত হোৱা পৰিবৰ্তন— (সং) ভ্ৰমৰক > (মা. অ.) ভোমোৰা > (কাম.) ভমৰা। সেইদৰে ভৌগোলিক, সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱৰ ফলতো ধ্বনিৰ পৰিবৰ্তন হয়। ধ্বনিৰ পৰিবৰ্তনৰ আনকেইটামান প্ৰধান দিশ হ'ল— সমীভৱন, বিষমীভৱন, ধ্বনি বিপৰ্যয়, স্বৰভক্তি বা বিপ্ৰকৰ্ষ, লোপ, সমাক্ষৰ লোপ, আগম, অপিনিহিতি, মিশ্ৰণ, স্বৰ-সংগতি, অভিশ্ৰুতি, অপশ্ৰুতি, ঘোষীভৱন, অঘোষীভৱন, মহাপ্ৰাণীকৰণ আৰু অল্পপ্ৰাণীকৰণ, অনুনাসিকীকৰণ, মূৰ্ধণীভৱন, তালব্যীভৱন, ৰকাৰীভৱন।

এনেদৰে ধ্বনিতত্ত্বৰ স্তৰত ধ্বনিসমূহৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়। কোনো এটা ভাষাৰ অধ্যয়নত ধ্বনিতত্ত্ব এক অপৰিহাৰ্য বিষয়, কাৰণ ধ্বনিতত্ত্বৰ অধ্যয়নেহে ভাষা বিশেষৰ স্বকীয়ত্ব সম্পৰ্কে জ্ঞান দিব পাৰে।